# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-10-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

ৰাজ্যত আজিৰ পৰা মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ আৰম্ভ হৈছে। ইতিপূৰ্বে মিছন বসুন্ধৰাৰ প্ৰথম সংস্কৰণৰ অধীনত ৯ মাহত ভূমি পট্টা সম্পৰ্কীয় ৮ লাখ আবেদন নিষ্পত্তি কৰাৰ লগতে দ্বিতীয় সংস্কৰণত এবছৰত ২ লাখতকৈও অধিক খিলঞ্জীয়া লোকক ভূমিপট্টা দিয়া হৈছে বুলি মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণৰ উদ্বোধন কৰি আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জানিবলৈ দিছে। তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত ভূমিহীন লোকক ভূমি প্ৰদান, দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত আবেদন কৰা লোকসকলৰ স্থগিত ৰখা আবেদনসমূহ পুনৰীক্ষণ, নগৰ আৰু কাষৰীয়া অঞ্চলত ৰেহাই প্ৰিমিয়াম হাৰত একচনীয়া পট্টাৰ ম্যাদীকৰণৰ কাম আৰম্ভ কৰা, পূৰ্বৰ গ্ৰাম্য কিন্তু পৰৱৰ্তীকালত নগৰ অঞ্চল হিচাপে ঘোষিত এলেকাত দখলীস্বত্ব থকা ৰায়তক মালিকীস্বত্ব প্ৰদান, প্ৰসাৰিত ৰূপত ভূমিৰ শ্ৰেণী পৰিৱৰ্তন, চাহ অনুদান ভূমিৰ পট্টাৰ শ্ৰেণী পৰিৱৰ্তন আৰু পট্টা প্ৰদান আদি কাৰ্যসূচী হাতত লোৱা হৈছে। ইয়াৰ লগতে ভূমি সম্পৰ্কীয় বিভিন্ন সেৱা ডিজিটাইজ কৰাৰ লগতে মানচিত্ৰ প্ৰকাশ আৰু জনসাধাৰণক ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ প্ৰক্ৰিয়াটো সৰলীকৰণ কৰিবলৈ নতুন নিয়ম ৰূপায়ণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণত ৰাজ্যৰ ভূমিপুত্ৰ হিচাপে অনুসূচিত জাতি, অনুসূচিত জনজাতি, আদিবাসী, চাহ জনজাতি আৰু গোৰ্খাসকলে তিনিটা প্ৰজন্মৰ প্ৰমাণপত্ৰ দিয়াৰ প্ৰয়োজন নহ'ব। ইয়াৰ লগতে চহৰবাসীৰ বাবে প্ৰিমিয়ামৰ হাৰ আঞ্চলিক মূল্যাংকনৰ ৩ শতাংশলৈ হ্ৰাস কৰা হৈছে। ১৯৭১ চনৰ আগৰ শৰণাৰ্থীৰ প্ৰমাণপত্ৰ ধাৰকসকলকো মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণৰ যোগ্য বুলি বিবেচিত কৰা হৈছে। এই অভিযানৰ জৰিয়তে অগ্ৰাধিকাৰপ্ৰাপ্ত গোটসমূহক ভূমিস্বত্ব প্ৰদান কৰা লগতে ভূমি সম্পৰ্কীয় সেৱাসমূহত স্বচ্ছতা আনিবলৈ প্ৰচেষ্টা লোৱা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই অৱগত কৰে।

উল্লেখযোগ্য যে এই সেৱাসমূহৰ দ্বাৰা উপকৃত হ'বলৈ sewasetu.assam.gov.in-ত আবেদন কৰিব পাৰিব অথবা নিকটৱৰ্তী ৰাজহুৱা সুবিধা কেন্দ্ৰলৈ গৈ আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব।

ooooo

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা বৃদ্ধি পাইছে। বিজেপিয়ে কালি ৩ টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ সমান্তৰালভাৱে নিৰ্বাচনী অভিযানো তীব্ৰতৰ কৰি তুলিছে। দলটোৱে ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। ইফালে কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰজোঁটেও নিৰ্বাচনী প্ৰস্তুতি চলাইছে যদিও এতিয়ালৈকে কোনো প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। উল্লেখযোগ্য যে বঙাইগাঁও, ছিদলী, ধলাই, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সমষ্টিকেইটাত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নগাঁও জিলাৰ ছপাশালসমূহত পুস্তিকা, পোষ্টাৰ আদি ছপাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ১২৭ (ক) ধাৰাত থকা নিষেধাজ্ঞাসমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি ৰাজনৈতিক দল বা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচন আয়োগ আৰু জিলা প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে জনসমাগম, শোভাযাত্ৰা, ৰাজহুৱা সভা আদি অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পূৰ্বে অনুমতি ল'লেও কোনো দল অথবা প্ৰাৰ্থীয়ে নিশা ১০ বজাৰ পাছত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। একেদৰে উচতনিমূলক, সাম্প্ৰদায়িক, ৰাষ্ট্ৰবিৰোধী, জাতীয়তা বিৰোধী, ভাষণ বা শ্লোগান, আপত্তিজনক আৰু বিভিন্ন বৰ্ণ ভাষিক বা ধৰ্মীয় গোটক আঘাত হানিব পৰা বিষয় লৈ যুগুত কৰা বেনাৰ পোষ্টাৰ আদিও নিষিদ্ধ কৰা হৈছে। যিকোনো উদ্দেশ্যৰ বাবে অনুদান সংগ্ৰহ, আগ্নেয়াস্ত্ৰ, বিস্ফোৰক সামগ্ৰী আদি কঢ়িয়াই নিয়াৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে আইন প্ৰয়োগকাৰী কৰ্মী, চৰকাৰী বিষয়া-কৰ্মচাৰী আদিৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

ooooo

গোৱালপাৰা সাহিত্য সভা আৰু আগিয়া শতদল শাষা সাহিত্য সভাৰ সহযোগত অসম সাহিত্য সভাৰ সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তী আজি দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। আগিয়াৰ জে এন মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজন কৰা অনুষ্ঠানত সাহিত্য সভাৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, কেন্দ্ৰীয় ৰামধেনু অনুষ্ঠান আদি হাতত লোৱা হয়। দুপৰীয়া মুকলি সভা অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ উপ-সভাপতি ডা০ গিৰীশ সন্দিকৈয়ে সভাপতিত্ব কৰা সভাখনত বিশিষ্ট সাহিত্যিক ড০ বসন্ত কুমাৰ গোস্বামীয়ে সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা স্মাৰক বক্তৃতা প্ৰদান কৰে।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি কৰিমগঞ্জ জিলাত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ ভাৰতীয় জনতা পাৰ্টিৰ কৰিমগঞ্জ জিলাৰ প্ৰাক্তন সভাপতি তথা জননেতা ৰথিন্দ্ৰ ভট্টাচাৰ্যৰ এটা আৱক্ষ মূৰ্তি উন্মোচন কৰে। এই উপলক্ষে আয়োজিত সভাত মন্ত্ৰী শ্ৰী দাসে নেতাগৰাকীয়ে উন্নয়ন আৰু সেৱা ক্ষেত্ৰত সমাজলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ শলাগ লয়। আজিৰ অনুষ্ঠানত সাংসদ মিছন ৰঞ্জন দাসকে ধৰি জিলা বিজেপিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

ooooo

সমাপ্ত